জনসংযোগ, অসম
মুখ্যমন্ত্রীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১২৭/২০১৯

২০১৯ বৰ্ষৰ ৰাজ্যিক বিজ্ঞান বঁটা প্ৰদান কৰিলে মুখ্যমন্ত্রী সোণোৱালে
ছাত্ৰ-ছাত্ৰীসকলে বিজ্ঞানৰ পোহৰৰে আগুৱাই জ্ঞানৰ অন্বেষণত নামিব লাগিব ঃ মুখ্যমন্ত্রী

দিছপুৰ, ৫ মাৰ্চ ঃ 'বিজ্ঞান শিক্ষাক জনজীৱনৰ গুৰুত্বপূৰ্ণ অংশত পৰিণত কৰিব লাগিব। বিজ্ঞানে পোহৰৰ সন্ধান দিয়ে আৰু এই পোহৰ বিচাৰি ছাত্ৰ-ছাত্ৰীসকলে জ্ঞানৰ অন্বেষণত নামিব লাগিব। সেয়েহে ৰাজ্যখনৰ প্ৰচুৰ সম্ভাৱনাপূৰ্ণ মানৱ সম্পদক উপযুক্তভাৱে বিকশিত কৰি তোলাৰ মানসৰে ৰাজ্য চৰকাৰে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাক এক গুৰুত্বপূৰ্ণ অনুঘটকলৈ ৰূপান্তৰ কৰাৰ বাবে এক বিশদ কৰ্মপন্থা প্ৰস্তুত কৰিছে।' আজি খানাপাৰাস্থিত অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস-২০১৯ উপলক্ষে আয়োজিত ৰাজ্যিক পৰ্যায়ৰ অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্রী সৰ্বানন্দ সোণোৱালে এইদৰে কয়।

এই অনুষ্ঠানৰ লগত সংগতি ৰাখি মুখ্যমন্ত্রী সোণোৱালে আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বায়ুমণ্ডলীয় বিজ্ঞানী অধ্যাপক ড° ভূপেন্দ্ৰ নাথ গোস্বামীক ২০১৯ বৰ্ষৰ ৰাজ্যিক বিজ্ঞান বঁটাৰ অধীনত 'জীৱনজোৰা সাধনা বঁটা', তেজপুৰ বিশ্ববিদ্যালয়ৰ ইলেকট্ৰিকেল ইঞ্জিনিয়াৰিং বিভাগৰ সহকাৰী অধ্যাপক ড° মনাশিতা বৰাক 'যুৱ বিজ্ঞানী বঁটা' আৰু বিজ্ঞান শিক্ষাৰ প্ৰসাৰৰ বাবে গ্ৰহণ কৰা ভূমিকাৰ বাবে যোৰহাটস্থিত উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানক 'বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উৎকৰ্ষকৰণৰ শ্ৰেষ্ঠ অনুষ্ঠান বঁটা' প্ৰদান কৰে।

ভাষণ প্ৰসংগত মুখ্যমন্ত্রী সোণোৱালে কয় যে ৰাজ্যৰ বিকাশ ত্বৰান্বিত কৰাৰ ক্ষেত্ৰত বিজ্ঞান প্ৰযুক্তিৰ উপযুক্ত ব্যৱহাৰৰে মানৱ সম্পদৰ বিকাশত গুৰুত্ব দিব লাগিব। সেই দিশৰ প্ৰতি লক্ষ্য ৰাখি অসম চৰকাৰে বিজ্ঞান শিক্ষাৰ জনপ্ৰিয়কৰণৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে। এই কথা উল্লেখ কৰি মুখ্যমন্ত্রী সোণোৱালে কয় যে অসম চৰকাৰে ইতিমধ্যে ৰাজ্যৰ বহু কেইখন বিদ্যালয়ত বিজ্ঞান শাখা মুকলি কৰিছে যাতে উচ্চতৰ মাধ্যমিক পৰ্যায়ত ছাত্ৰ-ছাত্ৰীসকলে বিজ্ঞান শিক্ষা গ্ৰহণ কৰিব পাৰে।

ৰাজ্যৰ উঠি অহা যুৱ চামৰ দক্ষতা বিকাশৰ বাবে অসম চৰকাৰে নিৰ্দ্ধাৰণ কৰা লক্ষ্য প্ৰাপ্তিৰ ক্ষেত্ৰত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই গ্ৰহণ কৰিব পৰা ভূমিকাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্রী সোণোৱালে কয় যে অসম চৰকাৰে এই দিশত যথোপযুক্ত গুৰুত্ব দিছে যাতে উন্নত মানৱ সম্পদ সৃষ্টিৰে ৰাজ্যৰ বিকাশৰ গতিত এক নতুন মাত্ৰা প্ৰদান কৰিব পৰা যায়। মুখ্যমন্ত্রী সোণোৱালে লগতে কয় যে ৰাজ্যখনত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্য আগত ৰাখি ইতিমধ্যে ৰাজ্যখনক ৫ টা মণ্ডলত ভাগ কৰা হৈছে আৰু প্ৰতিটো মণ্ডলৰ পৰা নিৰ্বাচিত প্ৰতিনিধিক চৰকাৰী খৰচত জ্ঞান যাত্ৰাৰ বাবে প্ৰেৰণ কৰা হ'ব।

আজিৰ এই অনুষ্ঠানত অসম চৰকাৰৰ মুখ্য সচিব অলোক কুমাৰ, অসম বিজ্ঞান-প্ৰযুক্তি আৰু পৰিৱেশ পৰিষদৰ সঞ্চালক ড° অৰূপ কুমাৰ মিশ্ৰইও ভাষণ প্ৰদান কৰে।

সুঃদঃ / বীঃগঃ
৫/৩/২০১৯